**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 11-07-2024
**Time :** 0705 Hrs.

***Assamese Morning Bulletin***
***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তেওঁৰ অষ্ট্ৰিয়া ভ্ৰমণক ঐতিহাসিক আৰু যথেষ্ট ফলপ্ৰসূ বুলি অভিহিত কৰিছে।

২। প্ৰধানমন্ত্ৰীয়ে আজি নতুন দিল্লীত আগশাৰীৰ অৰ্থনীতিবিদসকলৰ সৈতে মত-বিনিময় কৰিব।

৩। ৰাজ্যৰ বান পৰিস্থিতি কিছু উন্নত হৈছে।

৪। ভাৰতে কালি হাৰাৰে স্প'ৰ্টছ ক্লাবত অনুষ্ঠিত পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ তৃতীয়খন খেলত জিম্বাব'ৱেক ২৩ ৰাণত পৰাস্ত কৰে।

*আৰু*

৫। ইংলেণ্ড, ইউৰো কাপ ফুটবল প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰিছে।

ooooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তেওঁৰ অষ্ট্ৰিয়া ভ্ৰমণক ঐতিহাসিক আৰু যথেষ্ট ফলপ্ৰসূ বুলি অভিহিত কৰিছে। তেওঁ লগতে এই ভ্ৰমণে দুয়ো দেশৰ মাজৰ বন্ধুত্ব এনাজনী অধিক সুদৃঢ় কৰিব বুলি আশা প্ৰকাশ কৰিছে। শ্ৰীমোদীয়ে কৈছে যে তেওঁ ভিয়েনাত ভিন ভিন অনুষ্ঠানত অংশগ্ৰহণ কৰিবলৈ পাই সুখী হৈছে আৰু চেন্সেলৰ কাৰ্ল নেহমৰ, অষ্ট্ৰিয়াৰ চৰকাৰ আৰু জনসাধাৰণক তেওঁলোকৰ মৰম আৰু আতিথ্যৰ বাবে ধন্যবাদ জ্ঞাপন কৰিছে।

ভিয়েনাত চেন্সেলৰ নেহমৰৰ সৈতে হোৱা আলোচনাৰ অন্তত প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে ভাৰত আৰু অষ্ট্ৰিয়াই দুয়ো দেশৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্কক কৌশলগত সম্পৰ্কলৈ উন্নীত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰাৰ লগতে পাৰস্পৰিক সহযোগিতা অধিক শক্তিশালী কৰাৰ সম্ভাৱনা চিনাক্ত কৰি উলিয়াইছে। অষ্ট্ৰিয়াৰ চেন্সেলৰ সৈতে জাৰি কৰা এটা যুটীয়া বিবৃতিত শ্ৰীমোদীয়ে কয় যে তেওঁ ইউক্ৰেইনৰ সংঘৰ্ষ আৰু পশ্চিম এছিয়াৰ পৰিস্থিতিসহ বিশ্বৰ সাম্প্ৰতিক ভূ-ৰাজনৈতিক স্থিতিৰ বিষয়ে বিশদভাৱে আলোচনা কৰিছে। প্ৰধানমন্ত্ৰীয়ে লগতে কয় যে ভাৰত আৰু অষ্ট্ৰিয়াই আন্তঃগাঁথনি উন্নয়ন, উদ্ভাৱন, নবীকৰণযোগ্য শক্তি, হাইড্ৰজেন, পানী আৰু আৱৰ্জনা ব্যৱস্থাপনা, কৃত্ৰিম বুদ্ধিমত্তা আৰু কোৱাণ্টাম প্ৰযুক্তিৰ লেখিয়া ক্ষেত্ৰসমূহত একেলগে কাম কৰিব আৰু অনাগত দশকসমূহত সহযোগিতাৰ বাবে পৰিকল্পনাও প্ৰস্তুত কৰি উলিয়াইছে। শ্ৰীমোদীয়ে লগতে কয় যে অষ্ট্ৰিয়াক আন্তঃৰাষ্ট্ৰীয় সৌৰজোঁট, বিপৰ্যয়তো তিষ্ঠি থাকিব পৰা আন্তঃগাঁথনি জোঁট আৰু জৈৱ ইন্ধন জোঁটত যোগদান কৰিবলৈ আমন্ত্ৰণ জনোৱা হৈছে।

চেন্সেলৰ নেহমৰৰ সৈতে ভাৰত আৰু অষ্ট্ৰিয়াৰ আগশাৰীৰ মুখ্য কাৰ্যবাহী বিষয়াৰ এটা গোটক সম্বোধন কৰি প্ৰধানমন্ত্ৰী মোদীয়ে দেশখনৰ ব্যৱসায়ীসকলক ভাৰতৰ দ্ৰুত বিকাশশীল সুযোগৰ লাভ গ্ৰহণ কৰিবলৈ আহ্বান জনায়। ভাৰত অনাগত কেইটামান বছৰত বিশ্বৰ তৃতীয় সৰ্ববৃহৎ অৰ্থব্যৱস্থাৰ দেশৰূপে পৰিগণিত হোৱাৰ দিশে অগ্ৰসৰ হোৱা বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে অষ্ট্ৰীয়াৰ কোম্পানীসমূহক ঘৰুৱা আৰু আন্তঃৰাষ্ট্ৰীয় বজাৰৰ বাবে মেক ইন ইণ্ডিয়া কাৰ্যসূচীৰ অধীনত উচ্চ মানৰ আৰু কম খৰচী সামগ্ৰী নিৰ্মাণ কৰাৰ বাবে ভাৰতীয় অৰ্থনৈতিক প্ৰেক্ষাপটৰ সদ্ব্যৱহাৰ কৰিবলৈ আহ্বান জনায়।

প্ৰধানমন্ত্ৰী মোদীয়ে লগতে পদাৰ্থ বিজ্ঞানৰ নবেল বঁটা প্ৰাপক এণ্টোন জিলিংগৰক সাক্ষাৎ কৰে। সাক্ষাৎ কালত আধ্যাত্মিকতাৰ লগতে কোৱাণ্টাম প্ৰযুক্তিৰ সম্ভাৱনা অন্বেষণৰ বিষয় লৈ আলোচনা হয়। প্ৰধানমন্ত্ৰীয়ে লগতে ভাৰতীয় সাহিত্য, ইতিহাস, দৰ্শন আদিৰ অধ্যয়নৰ বাবে প্ৰফেচাৰ বীৰ্‌গিট কেল্‌নৰ, ড০ মাৰ্টিন গেন্সজলে, ড০ বোৰায়িন লাৰিঅ'ছ আৰু ড০ কেৰিন প্ৰিচেণ্ডানজকো সাক্ষাৎ কৰে আৰু অষ্ট্ৰিয়াত ইণ্ডোলজীৰ উত্থানৰ লগতে ভাৰতীয় ইতিহাস, দৰ্শন, কলা আৰু সংস্কৃতিৰ চহকী ঐতিহ্যক লৈ আলোচনা কৰে।

ভিয়েনাত ভাৰতীয় সম্প্ৰদায়ৰ লোকক সম্বোধন কৰি শ্ৰীমোদীয়ে কয় যে সমগ্ৰ বিশ্বই ভাৰতলৈ আশাৰে চাই আছে আৰু বিশ্বৰ প্ৰতিগৰাকী লোক ভাৰতৰ বিষয়ে শিকিবলৈ আগ্ৰহী হৈ পৰিছে। তেওঁ লগতে কয় যে ভৌগলিক ব্যৱধান সত্বেও ভাৰত আৰু অষ্ট্ৰীয়াৰ মাজত ভালেমান সাদৃশ্য আছে। গণতন্ত্ৰ আৰু স্বাধীনতা, সমতা, বহুত্ববাদ তথা আইনৰ প্ৰতি সন্মানৰ উমৈহতীয়া প্ৰমূল্যৰাজিয়ে ভাৰত আৰু অষ্ট্ৰীয়াক সংযুক্ত কৰে বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী অষ্ট্ৰীয়া ভ্ৰমণ সামৰি ভিয়েনাৰ পৰা নতুন দিল্লীলৈ বুলি ৰাওনা হৈছে। বিদেশ মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰন্ধিৰ জয়ছৱালে কৈছে যে চাৰি দশকৰ পাছৰ এই উচ্চ পৰ্যায়ৰ ভ্ৰমণে ভাৰত আৰু অষ্ট্ৰীয়াৰ মাজত সম্পৰ্ক অধিক ঘনিষ্ঠ আৰু সম্প্ৰসাৰিত কৰিব।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত আগশাৰীৰ অৰ্থনীতিবিদসকলৰ সৈতে মত-বিনিময় কৰিব। শ্ৰীমোদীয়ে আসন্ন কেন্দ্ৰীয় বাজেট সন্দৰ্ভত তেওঁলোকৰ পৰা দিহা-পৰামৰ্শ ল'ব। অৰ্থনীতিবিদৰ উপৰি বিভিন্ন ক্ষেত্ৰত বিশেষজ্ঞসকলে এই বৈঠকত অংশগ্ৰহণ কৰিব। বৈঠকত নীতি আয়োগৰ উপাধ্যক্ষ সুমন বেৰি আৰু অন্য সদস্যসকলেও ভাগ ল'ব।

সংসদৰ বাজেট অধিবেশন ২২ জুলাইত আৰম্ভ হ'ব আৰু ২৩ জুলাইত বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে লোকসভাত ২০২৪-২৫ বিত্তীয় বৰ্ষৰ বাবে বাজেট উত্থাপন কৰিব। এয়া নৰেন্দ্ৰ মোদী চৰকাৰৰ তৃতীয় কাৰ্যকালৰ প্ৰথমখন বাজেট হ'ব। যোৱা মাহত সংসদৰ উভয় সদনৰ যুটীয়া বৈঠকত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে এইবাৰৰ বাজেট চৰকাৰৰ দূৰগামী নীতি আৰু ভৱিষ্যৎ দৃষ্টিভংগীৰ ফলপ্ৰসূ নথি হ'ব বুলি মন্তব্য কৰিছিল। তেওঁ লগতে বাজেটত গুৰুত্বপূৰ্ণ অৰ্থনৈতিক আৰু সামাজিক সিদ্ধান্তৰ লগতে ভালেমান ঐতিহাসিক পদক্ষেপ দেখিবলৈ পোৱা যাব বুলি কৈছিল। লোকসভা নিৰ্বাচনৰ বাবে যোৱা ফেব্ৰুৱাৰীত অন্তৰৱৰ্তীকালীন বাজেট দাখিল কৰা হৈছিল।

০০০০০০০০০

নতুন দিল্লীত আজি বংগোপসাগৰীয় বহুক্ষেত্ৰীয় প্ৰযুক্তিগত আৰু অৰ্থনৈতিক সহযোগিতা বিমষ্টেকৰ বিদেশ মন্ত্ৰীসকলৰ দ্বিতীয়খন সন্মিলন আৰম্ভ হ'ব। বিদেশ পৰিক্ৰমা মন্ত্ৰালয়ে জনোৱা মতে বিদেশ মন্ত্ৰী এছ্ জয়শংকৰে বিমষ্টেকৰ বিদেশ মন্ত্ৰীসকলৰ প্ৰতিনিধিত্ব কৰিব। মন্ত্ৰালয়েলগতে জনাইছে যে এই সন্মিলনে বিমষ্টেক গোটৰ সদস্যসকলক বংগোপসাগৰৰ সুৰক্ষা, যোগাযোগ, ব্যৱসায়, বিনিয়োগ আদি বিভন্নি ক্ষেত্ৰত থকা সহযোগিতাক অধিক শক্তিশালী কৰিব। বিমষ্টেকৰ বিদেশ মন্ত্ৰীসকলৰ প্ৰথমখন সন্মিলন থাইলেণ্ডৰ বেংককত অনুষ্ঠিত হৈছিল।

০০০০০০০০০

ৰাজ্যৰ বান পৰিস্থিতি কিছু উন্নত হৈছে। প্ৰায়বোৰ নৈৰ জলস্তৰ হ্ৰাস পাইছে। যোৱা ২৪ ঘণ্টাত ৫জন লোকে প্ৰাণ হেৰুৱায়। এইবাৰৰ বানত ৰাজ্যখনৰ কৃষিভূমি, কৃষি, পুখুৰীৰ লগতে পথ, দলং আৰু কালভাৰ্ট আদি ক্ষতিগ্ৰস্ত হৈছে। বানৰ ফলত পথ যোগাযোগ ব্যাহত হোৱাৰ লগতে পানীৰ সোঁতে বহু দলং ভগা পথ আৰু মথাউৰি উটুৱাই নিয়ে। পৰিস্থিতি কিছু উন্নত হ'লেও ৰাজ্যখনৰ ২৭খন জিলাৰ ১৪ লাখতকৈ অধিক লোক এতিয়াও বানৰ কবলত

আছে। জিলা প্ৰশাসনসমূহে ক্ষতিগ্ৰস্ত লোকসকলক খাদ্যৰ লগতে আন অত্যাৱশ্যকীয় সামগ্ৰীৰ যোগান ধৰিছে। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত বানৰ ফলত ১৬০টাতকৈও অধিক বন্যপ্ৰাণীৰ মৃত্যু হৈছে।

ooooooooo

স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ে এইবুলি স্পষ্ট কৰি দিছে যে চিকিৎসা মহাবিদ্যালয়লৈ উন্নীত কৰা বৰ্তমানৰ জিলা আৰু ৰেফাৰেল চিকিৎসালয়সমূহে কেন্দ্ৰীয় চৰকাৰৰ পৰা পুঁজি লাভ কৰি যাব। কেন্দ্ৰীয় স্বাস্থ্য সচিব অপূৰ্ব চন্দ্ৰই এই সন্দৰ্ভত ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহলৈ এখন পত্ৰ প্ৰেৰণ কৰিছে। স্বাস্থ্য মন্ত্ৰালয়ে কৈছে যে অনুমোদিত ১৫৭খন চিকিৎসা মহাবিদ্যালয়ৰ ভিতৰত ১০৮খন ইতিমধ্যে কাৰ্যক্ষম হৈ উঠিছে। অনুমোদিত মহাবিদ্যালয়সমূহৰ ভিতৰত ৪০খন অভিলাষী জিলাত অৱস্থিত। মন্ত্ৰালয়ে কৈছে যে ২০১৪ চনত জিলা চিকিৎসালয়সমূহক শক্তিশালী আৰু উন্নত কৰি নতুন চিকিৎসা মহাবিদ্যালয় খোলাৰ কেন্দ্ৰীয় পৃষ্ঠপোষকতাত এখন আঁচনি মুকলি কৰা হৈছিল। মন্ত্ৰালয়ে কৈছে যে চৰকাৰে চিকিৎসা মহাবিদ্যালয়ৰ সংখ্যা বৃদ্ধিৰ হকে প্ৰয়াস চলাই আছে। বৰ্তমান দেশত ৭০৬খন চিকিৎসা মহাবিদ্যালয় আছে।

ooooooooo

ভাৰতে কালি হাৰাৰে স্প’ৰ্টছ ক্লাবত অনুষ্ঠিত পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ তৃতীয়খন খেলত জিম্বাব’ৱেক ২৩ ৰাণত পৰাস্ত কৰে। খেলখনত ভাৰতে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ২০ অ’ভাৰত চাৰিটা উইকেট হেৰুৱাই ১৮২ ৰান সংগ্ৰহ কৰে। ভাৰতৰ হৈ যশস্বী জয়ছোৱালে ২৭ টা বলত ৩৬ ৰান, শুভমন গীলে ৪৯ টা বলত ৬৬ ৰান আৰু ৰুতুৰাজ গাইকোৱাডে ২৮ টা বলত ৪৯ ৰান সংগ্ৰহ কৰে।

প্ৰত্যুত্তৰত জিম্বাবুৱে নিৰ্ধাৰিত অভাৰত ৬ টা উইকেটৰ বিনিময়ত ১৫৯ ৰাণহে কৰিবলৈ সমৰ্থ হয়। ইয়াৰ লগে লগে ভাৰতে শৃংখলাত ২-১ ফলাফলেৰে অগ্ৰগতি লাভ কৰিছে।

ooooooooo

ইংলেণ্ড, ইউৰো কাপ ফুটবল প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰিছে। ডৰ্টমণ্ডত কালি অনুষ্ঠিত দ্বিতীয়খন ছেমি ফাইনেলত ইংলেণ্ডে নেডাৰলেণ্ডছক ২-১ গ’লত পৰাস্ত কৰি ফাইনেলত স্থান নিশ্চিত কৰে। দলটোৰ হৈ অংলি ৱাটকিনছে নিৰ্ণায়ক গ’লটো দিয়ে। ইংলেণ্ড দলৰ অধিনায়ক হেৰি কেনে খেলৰ প্ৰথমাৰ্ধত প্ৰথমটো গ’ল কৰে। নেডাৰলেণ্ডছৰ হৈ জাৱি ছাইমনছে একমাত্ৰ গ’লটো দিয়ে। অহা ১৫ জুলাইত হ’বলগীয়া ফাইনেলত ইংলেণ্ড স্পেইনৰ মুখামুখি হ’ব।

ooooooooo

ভাৰতৰ এন শ্ৰীৰাম বালাজী আৰু ইকুৱেডৰৰ গোঞ্জালো এস্কোবাৰৰ যুটীটোৱে জাৰ্মানীৰ ব্ৰৌংশ্বিগত অনুষ্ঠিত ব্ৰাৱো অ’পেন চেলেঞ্জাৰ টেনিছ প্ৰতিযোগিতাৰ পুৰুষৰ ডাবলছৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰবেশ কৰিছে। শীৰ্ষ বাছনিপ্ৰাপ্ত শ্ৰীৰাম আৰু গোঞ্জালোৰ যুটীটোৱে কালি বিয়লি প্ৰি-কোৱাৰ্টাৰ ফাইনেলত বলিভিয়াৰ বোৰিছ এৰিয়াছ আৰু ফেডেৰিকো জেবাল’ছৰ যুটীটোক ৬-৩, ৬-০ পোনপটীয়া চেটত পৰাস্ত কৰে। শ্ৰীৰাম আৰু গোঞ্জালোৰ যুটীটো আজি সন্ধিয়া কোৱাৰ্টাৰ ফাইনেলত ব্ৰাজিলৰ মাৰ্ছেলো ডেমোলিনৰ আৰু আৰ্জেণ্টিনাৰ গুইলেৰ্মো ডুৰানৰ বিৰুদ্ধে অৱতীৰ্ণ হ’ব। ইপিনে, ভাৰতৰ আন এগৰাকী খেলুৱৈ সুমিত নাগল পুৰুষৰ ছিংগলছৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত আৰ্জেণ্টিনাৰ পেড্ৰো কেচিনৰ হাতত ৪-৬, ৫-৭ ছেটত পৰাজিত হৈ প্ৰতিযোগিতাৰ পৰা বাহিৰ হৈছে।

ooooooooo

সমাপ্ত